সম্প্ৰসাৰণ পুস্তিকা : AAU/KVK/NGN/NP/02/18/054

# তিচি খেতিৰ উন্নত কৃষি প্ৰণালী



সীমা ভাগৱতী
ড° বন্তি গগৈ
ড° নিৰঞ্জন ডেকা
শিৱানী দাস

কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁও
অসম কৃষি বিশ্ববিদ্যালয়
শিমলুগুৰী, নগাঁও-৭৮২০০২

# তিচি খেতিৰ উন্নত কৃষি প্ৰণালী

শীতকালীন কৰিব পৰা তৈলবীজ সমূহৰ ভিতৰত তিচি এবিধ উল্লেখযোগ্য খেতি। তিচিক অতীজৰেপৰা তৈলবীজ আৰু আঁহজাতীয় শস্য হিচাপে খেতি কৰি অহা হৈছে। তিচিত থকা তেলৰ পৰিমাণ ৩৩-৪৭ শতাংশৰ ভিতৰত। ভাৰতবৰ্ষত মূলতঃ তেল আহৰণৰ কাৰণেই এই খেতি কৰা হয়। এই তেল প্ৰধানকৈ বিভিন্ন প্ৰচাৰৰ প্ৰসাধন সামগ্ৰী, চাবোন, ৰং, বাৰ্নিচ আদি প্ৰস্তুতকৰণত ব্যৱহৃত হয়।

**জলবায়ু ঃ**

তেলজাতীয় শস্য হিচাপে কৰা খেতিৰ বাবে ঠাণ্ডা শুকান বতৰৰ আৰশ্যক। আনহাতে আকৌ আঁহজাতীয় শস্যৰ বাবে অধিক ঠাণ্ডা আৰু সেমেকা বতৰৰ প্ৰয়োজন। খৰাং সদৃশ পৰিস্থিতিতো তিচি খেতিয়ে ভাল ফলাফল দেখুৱাব পাৰে। শস্য পূৰঠ হোৱাৰ সময়ত বতৰ উষ্ণ আৰু শুকান হ'ব লাগে।

**মাটি নিৰ্বাচন ও প্ৰস্তুতি ঃ**

তিচি খেতি প্ৰায় সকলো প্ৰকাৰৰ মাটিতেই কৰিব পাৰি যদিও পলসুৱা মাটিত এই খেতি ভাল হয়। মাটি প্ৰস্তুত কৰাৰ সময়ত মাটিত পৰ্যাপ্ত জৈৱিক সাৰ প্ৰয়োগ কৰিব লাগে। মাটিডৰা ৩/৪ বাৰ চহাই মৈয়াই মিহি কৰি সমান কৰি ল'ব লাগে। বীজ সিঁচাৰ প্ৰায় ৩ সপ্তাহমান আগতে প্ৰতি বিঘাত ৬৫.৫ কেজি চূণ প্ৰয়োগ কৰি মাটিত মিহলাই দিলে অধিক সুফল পোৱা যায়।

**অনুমোদিত জাত ঃ**

টি-৩৯৭ আৰু শেখৰ অসমৰ মাটি আৰু জলবায়ুৰ বাবে উপযোগী জাত। এইবোৰৰ কৃষিকালি ১৩০-১৩৫ দিন আৰু গড় উৎপাদন বিঘাই প্ৰতি ১ - ১.৫ কুইণ্টল।

**বীজ শোধন ঃ**

প্ৰতি কেজি বীজ ৩ গ্ৰাম থিৰাম ঔষধেৰে শোধন কৰিব লাগে। এনে কৰিলে বহুতো বেমাৰৰ সংক্ৰমণৰ পৰা হাত সাৰিবলৈ পৰা যায়।

**বীজৰ পৰিমাণ আৰু সিঁচাৰ সময় ঃ**

এবিঘা মাটিৰ বাবে প্ৰয়োজন হোৱা বীজৰ পৰিমাণ ২ - ২.৫ কেজি।

বীজ সিঁচাৰ উপযুক্ত সময় হ'ল কাতি মাহ (চেপ্তেম্বৰৰ মাজভাগৰ পৰা অক্টোবৰৰ মাজভাগলৈ)। বতৰৰ আৰম্ভণিতে সিঁচিলে খেতিডৰা খৰাং পৰিস্থিতিৰ পৰা কিছু ৰক্ষা পৰে।

**সাৰ প্ৰয়োগ ঃ**

অসমত কৰা তিচি খেতিত সাৰ প্ৰয়োগ যথেষ্ট সীমিত। কিন্তু সাৰ প্ৰয়োগ কৰিলে উৎপাদন বৃদ্ধিত যথেষ্ট সহায় হয়। সিঁচাৰ আগেয়ে শেষৰবাৰ মাটি চাহ কৰা সময়ত বিঘাই প্ৰতি ১২ কেজি ইউৰিয়া, ১৮ কেজি চুপাৰ আৰু ২ কেজি পটাছ সাৰ প্ৰয়োগ কৰি মাটিৰ লগত ভালদৰে মিহলাই দিব লাগে।

**শস্য ৰক্ষা ঃ**

লেৰেলী যোৱা ৰোগ প্ৰতিৰোধ কৰিব কাৰণে

ক) বীজ শোধন কৰা প্ৰয়োজন

খ) সঠিক শস্যাৱৰ্তন অনুসৰণ কৰিব লাগে।

**অন্তৰ্বৰ্তী পৰিচৰ্যা ঃ**

বীজ সিঁচাৰ ২০-২৫ দিনত এবাৰ নিৰনি দিব লাগে। লগতে ঘনকৈ গজা পুলিবোৰ পাতলাই দিব লাগে। খৰাং পৰিস্থিতিত জলসিঞ্চনৰ ব্যৱস্থা থকা মাটিত পানী যোগানৰ ব্যৱস্থা কৰিলে ভাল ফল পোৱা যায়।

**শস্য চপোৱা ঃ**

তৈলবীজ হিচাপে কৰা খেতিত গা-গছ শুকাই যোৱা আৰু সম্পূৰ্ণকৈ পাত সৰি যোৱা অৱস্থাত শস্য চপাব লাগে। অৱশ্যে আঁহজাতীয় শস্য হিচাপে কৰা খেতিডৰা সামান্য আগতীয়াকৈ অৰ্থাৎ গাা-গছ সামান্য সেউজীয়া হৈ থকা আৰু ছেঁই পূৰঠ পোৱা অৱস্থাত চপাব লাগে।

**শস্যক্ৰমত অন্তৰ্ভুক্তি ঃ**

তিচি একক শস্য হিচাবে কৰাৰ উপৰিও অন্তৰৱৰ্তী শস্য (Intercropping) হিচাপেও কৰিব পৰা যায়।

তাৰোপৰি মধ্যমীয়া কৃষিকালৰ উন্নত জাতৰ শালি ধানৰ পাছত একেডৰা মাটিত তিচি খেতি কৰিব পৰা যায়।

এই তিচি খেতি আকৌ ধানৰ লগত পাইৰা খেতি (Relay Cropping) হিচাপেও কৰিব পাৰি।